# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

**Date :** 13-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

২। নেচনেল ইন্‌ষ্টিটিউচনেল ৰেংকিং ফ্ৰেমৱৰ্কৰ উচ্চ শিক্ষানুষ্ঠানৰ পাৰদৰ্শিতাৰ ভিত্তিত প্ৰকাশ পোৱা তালিকাত অসমৰ শিক্ষানুষ্ঠানৰ আশানুৰূপ স্থান লাভ।

৩। ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ বিকাশৰ বাবে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় আৰু ডেনমাৰ্কৰ ন'ভ' নৰ্ডিস্ক ফাউণ্ডেচনৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

৪। ৰাজ্যৰ বিভিন্ন জিলাত ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত।

আৰু

৫। প্ৰথম এন টি পি চি ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চাৰী প্ৰতিযোগিতাৰ ছিনিয়ৰ ল'ৰাৰ ৰিকাৰ্ভ শাখাত ৰে'লৱেৰ যশদীপ ভোগে, উত্তৰ প্ৰদেশৰ নীৰজ চৌহান আৰু পি এছ বিৰ অতনু দাসৰ শীৰ্ষ তিনিটা স্থান লাভ।

০০০০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই নিযুক্তি বিতৰণ অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত ২৬৬ গৰাকী চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত ৮১২ গৰাকী ষ্টাফ নাৰ্ছ আৰু ৪৯ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। উল্লেখযোগ্য যে আজিৰ এই নিযুক্তি পত্ৰ বিতৰণৰ পাছত ৰাজ্য চৰকাৰৰ অভিলাসী ১ লাখ নিযুক্তি প্ৰক্ৰিয়াত চাকৰি লাভ কৰা লোকৰ সংখ্যা মুঠ ৯৯ হাজাৰ ৯৭ লৈ বৃদ্ধি পাব।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগৰ অধীনস্থ নেচনেল ইন্‌ষ্টিটিউচনেল ৰেংকিং ফ্ৰেমৱৰ্কে উচ্চ শিক্ষানুষ্ঠানৰ পাৰদৰ্শিতাৰ ভিত্তিত প্ৰকাশ কৰা তালিকাত অসমৰ শিক্ষানুষ্ঠানসমূহে আশানুৰূপ স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। এইক্ষেত্ৰত আই আই টি গুৱাহাটীয়ে সামগ্ৰিক শাখাত নৱম স্থান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে ৫৭ সংখ্যক স্থান লাভ কৰিছে। বিশ্ববিদ্যালয়খনে বিগত বৰ্ষৰ ৮৮ সংখ্যক স্থানৰ পৰা ৫৭ সংখ্যক স্থানলৈ উন্নীত হোৱাৰ লগতে ৰাজ্যিক বিশ্ববিদ্যালয়ৰ শাখাত ত্ৰয়োদশ স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ইপিনে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ ভিতৰত ২৮ সংখ্যক স্থান লাভ কৰিছে। অনুৰূপ ধৰণে কৃষি আৰু আনুসংগিক খণ্ডত অসম কৃষি বিশ্ববিদ্যালয়ে চতুৰ্দশ স্থান দখল কৰিছে। বিগত বৰ্ষৰ তুলনাত এইবাৰ বিশ্ববিদ্যালয়খনে পাঁচটা স্থান আগুৱাই আহিছে। উল্লেখযোগ্য যে ২০১৬ চনৰ পৰা প্ৰকাশ কৰি অহা এন আই আৰ এফৰ এইবাৰৰ তালিকাত বিশ্ববিদ্যালয়সমূহৰ ভিতৰত আই আই এছ চি বাংগালোৰে প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে জে এন ইউৱে দ্বিতীয় স্থান আৰু জে এম আইয়ে তৃতীয় স্থান লাভ কৰিছে।

০০০০০০০০

অসমত ৰাজ্যসভাৰ দুখনকৈ আসন খালী হোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীৰ কইনাধৰা ৰাজ্যিক অতিথিশালাত কালি ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰভাৰী হৰিশ দ্বিবেদীকে ধৰি

নির্বাচনী সমিতিৰ অন্যান্য সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত এই আসন দুখন সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত ৰাজ্যিক সভাপতিগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে ৰাজ্য সভাৰ দুয়োখন আসনৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছে। আলোচনাৰ অন্তত প্ৰাৰ্থীসকলৰ নাম দিল্লীলৈ প্ৰেৰণ কৰা হৈছে বুলি শ্ৰী কলিতাই জানিবলৈ দিয়ে। তেওঁ কয় যে ৰাজ্য সভাৰ আসন দুখনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সমিতি আৰু সংসদীয় ব'ৰ্ডে সিদ্ধান্ত ল'ব।

ooooo

শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় আৰু ন'ভ' নৰ্ডিস্ক ফাউণ্ডেচনে অসমৰ স্বাস্থ্য খণ্ড বিকাশৰ বাবে কালি দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

এই বুজাবুজি চুক্তিখনে আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়ত শিক্ষা উদ্ভাৱন শাখা, চিমুলেচন লেব আদি স্থাপনকে ধৰি ৰাজ্যৰ নাৰ্চিং, শিক্ষাৰ উন্নতি, নাৰ্চিং খণ্ডৰ প্ৰতিষ্ঠানিক ক্ষমতা উন্নত কৰা আৰু স্বাস্থ্য আৰু নাৰ্চিং পেছাদাৰীসকলৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰতিস্থানৰ উন্নতিকে ধৰি কেইবাটাও দিশ সামৰি ল'ব।।

বুজাবুজি চুক্তিৰ অনুসৰি এই অংশীদাৰিত্বই প্ৰথম অৱস্থাত ৬ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। বিশ্ববিদ্যালয়খনৰ সৈতে স্বাক্ষৰ কৰা এই বুজাবুজিৰ চুক্তিৰ বাবে মুখ্যমন্ত্ৰী শৰ্মাই ন'ভ' নৰ্ডিক ফাউণ্ডেচনৰ জ্যেষ্ঠ বিজ্ঞানী ড০ জেকভ উইলিয়ামছ অৰবাৰ্গক ধন্যবাদ জনায়। তেওঁ কয় যে, স্বাস্থ্য ৰাজ্যখনৰ বাবে অগ্ৰাধিকাৰ খণ্ড হৈ আহিছে আৰু চৰকাৰে বিভিন্ন পৰিমাপ উন্নত কৰাৰ বাবে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। লগতে তেওঁ কয় যে, ন'ভ' নৰ্ডিস্ক ফাইণ্ডেচনৰ সৈতে হোৱা অংশীদাৰিত্বই ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ উন্নতিৰ বাবে এক সহযোগিতামূলক ব্যৱস্থা গঢ় দিয়াত সহায় কৰিব।

oooooooo

পহিলা এপ্ৰিলৰ পৰা ১১ আগষ্ট পৰ্যন্ত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ২৩ দশমিক ৯-৯ শতাংশ বৃদ্ধি হৈ ৮ লাখ ১৩ হাজাৰ কোটি টকা হৈছে। আয়কৰ বিভাগে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰৰ এই একে সময়ছোৱাত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ আছিল ৬ লাখ ৫৫ হাজাৰ কোটি টকা।

oooooooo

ৰাজ্যৰ বিভিন্ন জিলাত ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া অনুষ্ঠানৰ বাবে আৰক্ষী বেটেলিয়ন, অৰ্ধসামৰিক বাহিনী আৰু এন চি চিৰ দলসমূহে পেৰেডৰ অনুশীলন চলাই আছে। ৰাজ্যৰ কেইটামান উগ্ৰপন্থী সংগঠনে স্বাধীনতা দিৱস বৰ্জনৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰত প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ৰে'ল সুৰক্ষা বাহিনীৰ ৰে'ল ষ্টেচনত স্নিফাৰ ডগৰ সহায়ত সুৰক্ষা ব্যৱস্থাৰ তদাৰক কৰি আছে। ৰে'ল লাইন আৰু অন্যান্য স্থানত তালাচী অব্যাহত আছে।

স্বাধীনতা দিৱসৰ উপলক্ষ্যত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ছহেজাৰ পতাকা প্ৰস্তুত কৰি উলিয়াইছে। মহানগৰৰ বিভিন্ন বিপনীত তিনি বৰণীয়া জাতীয় পতাকা উভৈনদী হৈ পৰা দেখা গৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়তো ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। সেই অনুসৰি ১৫ আগষ্টৰ পুৱা ৮ বজাত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

ৰাজ্যৰ বিভিন্ন জিলাতো চৰকাৰী-বেচৰকাৰীভাৱে স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে আজি পুৱা কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত মটৰ চাইকেল সমদল উলিওৱা হয়। পৰিবহণ বিভাগৰ সহযোগত উলিওৱা এই সমদল খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আৰম্ভ হৈ জি এছ ৰোড, দীঘলী পুখুৰী, মালিগাঁও হৈ আই এছ বি টিট অন্ত পৰে। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ

উদ্যোগতো হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত তিৰংগা ৰানৰ আয়োজন কৰা হয়। নেহেৰু ষ্টেডিয়ামৰ পৰা দীঘলী পুখুৰী হৈ পুনৰ নেহেৰু ষ্টেডিয়ামত এই ৰানৰ অন্ত পৰে।

**মৰিগাঁও** জিলাৰ কেইবাগৰাকীও প্ৰয়াত মুক্তি যুজাৰুৰ পৰিয়ালক কালি জিলা প্ৰশানৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। প্ৰশাসনৰ বিষয়াসকলে মুক্তি যুজাৰু গণেশ ফুকন, বেণুধৰ কোঁচ, তিলক চন্দ্ৰ বৰা, দিনেশ ডেকা, চুচিন তামুলী, উত্তম চন্দ্ৰ ডেকা, গুণাভিৰাম বৰদলৈ, হেমৰাম পাটৰ, তিলক ডেকা আৰু সংৰাম ডেকাৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকৰ পৰিয়ালক সাক্ষাৎ কৰে। জিলা প্ৰশাসনৰ উদ্যোগত কালি বিহুতলীৰ সমীপত ত্ৰিৰংগা সংগীত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত যশস্বী গায়িকা তৰালী শৰ্মা, গীতাৰ বাদক ৰাজু আনচাৰী আৰু পাপৰি ঠাকুৰীয়াই পৰিৱেশন কৰে। দেশপ্ৰেম আৰু সংগীতৰ সমাহাৰ ঘটা এই অনুষ্ঠানত স্থানীয় বিধায়ক ৰমাকান্ত দেউৰী, জিলা আয়ুক্ত দেৱাশিস শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া, সাংবাদিক আৰু সাধাৰণ দৰ্শক উপস্থিত থাকে।

ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা মিছনৰ উদ্যোগত হাইলাকান্দিত এটা ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হৈছে। মহিলা আত্মসহায়ক গোটে পৰিচালনা কৰা এই কেন্দ্ৰত সুলক্ষ মূল্যত ৰাষ্ট্ৰীয় পতাকা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট, যোৰহাট, নগাঁও, তামুলপুৰ, শোণিতপুৰ, ডিব্ৰুগড়, মাজুলী, তিনিচুকীয়া আদি জিলাতো স্বাধীনতা দিৱস উপলক্ষে প্ৰশাসনৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

oooooooo

ঘৰে ঘৰে ত্ৰিৰংগ পতাকা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত স্বাধীনতা সংগ্ৰামীসকললৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি ত্ৰিৰংগ সমলয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

oooooooo

ৰাজ্যখন নিচামুক্ত কৰি তোলাৰ লগতে এখন এইডচমুক্ত সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে গুৱাহাটীত কালি ৰাজ্য চৰকাৰে দুমাহ জোৰা তথ্য, শিক্ষা আৰু যোগাযোগ অৰ্থাৎ আই ই চি অভিযান মুকলি কৰে। অসম এইডচ নিয়ন্ত্ৰণ ছ'চাইটিয়ে আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ অংশ হিচাপে এই অভিযান মুকলি কৰা হয়। এই অভিযানে মাদক দ্ৰব্যৰ প্ৰচলন অধিক হিচাপে চিনাক্ত হোৱা ১০ খন জিলাৰ এহেজাৰখন গাঁও সামৰি ল'ব। এই জিলাকেইখন হৈছে - কামৰূপ মহানগৰ, ধুবুৰী, কোকৰাঝাৰ, শোণিতপুৰ, নগাঁও, যোৰহাট, তিনিচুকীয়া, কাৰ্বিআংলং, কাছাৰ আৰু কৰিমগঞ্জ। অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী কেশৱ মহন্তই চাৰিখন মহাবিদ্যালয়ৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেড ৰিবণ ক্লাবক এইচ আই ভি আৰু এইড্চ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ বাবে মানপত্ৰ প্ৰদান কৰে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ

মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

গুৱাহাটী ৰাধা গোবিন্দ বৰুৱাৰ ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত অসম আৰ্চাৰী সন্থাৰ উদ্যোগত চলি থকা প্ৰথম এন টি পি চি ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চাৰী প্ৰতিযোগিতাৰ ছিনিয়ৰ ল'ৰাৰ ৰিকাৰ্ভ শাখাত ৰে'লৱেৰ যশদীপ ভোগে, উত্তৰ প্ৰদেশৰ নীৰজ চৌহান আৰু পি এছ বিৰ অতনু দাসে শীৰ্ষ তিনিটা স্থান লাভ কৰিছে। ইফালে, ছিনিয়ৰ ছোৱালী ৰিকাৰ্ভ শাখাত গুজৰাটৰ ভাগোৱা ভাগৰী, হাৰিয়ানাৰ সংগীতা আৰু মহাৰাষ্ট্ৰৰ সৃষ্টি বালাজীয়ে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিছে। কালি ছিনিয়ৰ ল'ৰা আৰু ছোৱালীৰ কম্পাউণ্ড শাখাৰো ফাইনেল খেল অনুষ্ঠিত হয়। ল'ৰাৰ শাখাত দিল্লীৰ প্ৰিয়াংশে প্ৰথম আৰু ছোৱালীৰ শাখাত মহাৰাষ্ট্ৰৰ মাধুৰীয়ে প্ৰথম স্থান লাভ কৰে। কাইলৈ আৰু পৰহিলৈ জুনিয়ৰ আৰু অহা ১৭ আৰু ১৮ আগষ্টত ছাব্-জুনিয়ৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০০

লখিমপুৰৰ বিশিষ্ট চিত্ৰশিল্পী তথা লখিমপুৰ চাৰু কাৰু কলা মহাবিদ্যালয়ৰ অধ্যক্ষ চন্দ্ৰকমল গগৈৰ আজি পুৱা ৭৮ বছৰ বয়সত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। বিশিষ্ট চিত্ৰশিল্পীগৰাকী বাৰ্ধক্যজনিত ৰোগত চিকিৎসাধীন হৈ আছিল। শিল্পীগৰাকীক ৰাজ্য চৰকাৰে ২০২২ চনত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০০

**দৈনিক অসম** কাকতে ৰাষ্ট্ৰীয় ৰেংকিং ঃ শীৰ্ষ এশৰ মাজত ৰাজ্যৰ তিনি শিক্ষানুষ্ঠান শিৰোনামেৰে দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ ৰেংকিঙত গুৱাহাটী আই আই টিকে ধৰি অসমৰ তিনিখন শিক্ষানুষ্ঠানে শীৰ্ষ এশখনৰ তালিকাত স্থান লাভ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাঁথা সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন তথ্যচিত্ৰ নিৰ্মাণৰ বাবে প্ৰসাৰ ভাৰতীৰে বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ বাতৰিটো দি **আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল** কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শাওন মাহ উপলক্ষে চলি থকা শ্ৰাৱন জলাভিষেক উৎসৱৰ আনন্দ-উল্লাসৰ মাজতে গোসাইগাঁৱৰ কচুগাঁৱত সংঘটিত হোৱা পথ দুৰ্ঘটনাত ৫ বল বম ভক্তৰ মৃত্যুৰ বাতৰিটো **নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সদ্য সমাপ্ত পেৰিছ অলিম্পিকত প্ৰতিদ্বন্দ্বিতা কৰি ওভতি অহা অসমৰ বক্সাৰ লাভলীনা বৰগোঁহাইক অসম আৰক্ষীয়ে আদৰণি জনোৱা বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উপ-নিৰ্বাচন, পঞ্চায়ত - ৰাজ্যসভা নিৰ্বাচনক লৈ কইনাধৰাত অনুষ্ঠিত বিজেপিৰ ৰাজ্যিক নিৰ্বাচন সমিতিৰ বাতৰিটো **ৰাজ্যসভাৰ বাবে ১০ জনীয়া প্ৰাৰ্থীৰ তালিকা** শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাত সাত তৰপীয়া নিৰাপত্তা শিৰোনামেৰে আগন্তুক স্বাধীনতা দিৱস উপলক্ষে ৰাজধানী দিল্লী আৰু লালকিল্লাত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়ালৈ জীৱনজোৰা সাধনা বঁটা, নেইষ্টৰ ভাৰপ্ৰাপ্ত সঞ্চালক হিচাপে ড০ ৰামানুজ নাৰায়ণক নিযুক্তি, বঙাইগাঁৱত ভয়াবহ দুৰ্ঘটনাত বিজেপি নেতাৰ মৃত্যু, ধিঙত অভিযান চলাই ৮ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ আৰক্ষীৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

সমাপ্ত